মছ

# অসম আদিত্য

RNI REGN. No. : ASSASS/2019/78693
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com

**স্বাস্থ্য**

ফুলকবিত প্ৰ'টিনৰ লগতে পটাছিয়াম, মেগনেছিয়াম আৰু আঁহ থাকে। পাচলিবিধ নিয়মীয়াকৈ খালে শৰীৰত প্ৰ'টিনৰ প্ৰয়োজন পূৰণ হয়।

৭ মাঘ, ১৯৪৬ শক ■ মঙলবাৰ, ২১ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, January 21, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ

### ৪ ফেব্ৰুৱাৰীৰ ভিতৰত মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত বহিব আক্ৰাছু-সন্মিলিত মঞ্চ

## অসম বন্ধ প্ৰত্যাহাৰ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ

বিশেষ প্ৰতিনিধি, বঙাইগাঁও, ২০ জানুৱাৰী ঃ কমতাপুৰ ৰাজ্য পুনৰ গঠন, কোচ-ৰাজবংশীসকলকো অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান আৰু কেএলঅ'ৰ লগত শীঘ্ৰে শান্তি চুক্তি কৰাৰ দাবীত কাইলৈ সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা আৰু কোচ-ৰাজবংশী সন্মিলিত মঞ্চই আহ্বান জনোৱা ১২ ঘণ্টীয়া অসম বন্ধৰ কাৰ্যসূচী অৱশেষত ৰাজ্য চৰকাৰৰ ৬ পৃষ্ঠাত

### মই কোন এই প্ৰশ্নৰ উত্তৰ দিয়াটো প্ৰকৃততে বৰ জটিল কথা ঃ ড° জিতেন হাজৰিকা



## জয়ন্ত বৰুৱাক হাছান ছৰিফ আহমদ সমন্বয় বঁটা প্ৰদান

ষ্টাফ ৰিপ'ৰ্টাৰ, ২০ জানুৱাৰী ঃ 'কানৈ মহাবিদ্যালয়ৰ নৈসৰ্গিক পৰিৱেশে মোক অভিভূত কৰিছে।' ডি এইচ এছ কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰগতিশীল সাংস্কৃতিক সৈনিক, সমন্বয়ৰ প্ৰতীক, নটসূৰ্য বঁটাপ্ৰাপক, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু সাধাৰণ সম্পাদক, শিল্পী পেঞ্চনাৰ হাছান ছৰিফ আহমদৰ নামত প্ৰদান কৰা 'হাছান ছৰিফ আহমদ সমন্বয় বঁটা' গ্ৰহণ কৰি সাদিন, প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ, অসমীয়া ৬ পৃষ্ঠাত

# অসম আদিত্য

৭ মাঘ, ১৯৪৬ শক ■ মঙ্গলবাৰ, ২১ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, January 21, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


নবস্থিত থকা এপল'
চ এম পি ভিত আক্ৰান্ত
স্পিতালত এইচ এম ভি
াজ্যেষ্ঠ মহিলা। উশাহ-
লত চিকিৎসা কৰিবলৈ
চ এম পি ভিত আক্ৰান্ত
ই সন্দৰ্ভত হস্পিতাল
ৰ্কটিঙৰ মহাপ্ৰবন্ধক উদয়
অনুসৰি, হস্পিতালত
৫ বছৰীয়া মহিলা এইচ
লি নিশ্চিত কৰা হৈছে।
ন অৱস্থাত আছে। প্ৰথমে

এইচ এম পি ভি চিনাক্ত হৈছিল। তেওঁ লগতে কয় যে, মহিলাগৰাকীৰ স্বামীও শ্বাস-প্ৰশ্বাসজনিত সমস্যাত ভুগি আছে। তেওঁৰো পৰীক্ষা কৰা হৈছে। বৰ্তমানলৈ তেওঁৰ পৰীক্ষাৰ প্ৰতিবেদন অহা নাই। এপল' হস্পিতালত এইচ এম পি ভিত ৰোগী চিনাক্ত হোৱাৰ পিছত হস্পিতাল কৰ্তৃপক্ষই হস্পিতালত সতৰ্কত অৱলম্বন কৰিছে। উল্লেখ্য যে, এইচ এম পি ভাইৰাছত আক্ৰান্ত প্ৰথমগৰাকী ৰোগী লখিমপুৰৰ এটি দহমহীয়া শিশু আছিল। শিশুটিৰ জ্বৰ আৰু পানী লগা হোৱাত অসম চিকিৎসা মহাবিদ্যালয়লৈ অনা হৈছিল। নিয়মীয়া পৰীক্ষাত শিশুটিৰ দেহত এইচ এম পি ভি ধৰা পৰে। ইতিমধ্যে শিশুটি বিপদমুক্ত বুলি চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই সদৰী কৰিছে।

## ষত আহাৰ গ্ৰহণ ডাল্লেৱালৰ

লৰ শাৰীৰিক অৱস্থা
পৰিছিল। পূৰ্বৰে পৰা
কিন্তু চিকিৎসা গ্ৰহণ
ছে অনুনয় বিনয়ৰ পিছত
নস্থলীত চিকিৎসকক
ত গ্ৰহণ কৰিলে খাদ্য।
সমাধানৰ বাবে কেন্দ্ৰীয়
ালোচনাৰ মনস্থ কৰিছে।
নেতাজনক চিকিৎসকে
সৈতে খানাউৰীত ১২১

জন কৃষকেও আমৰণ অনশন অব্যাহত ৰাখিছিল। তেওঁলোকেও আজি হৰতালৰ অন্ত পেলাইছে। ২৬ নৱেম্বৰৰ পিছত আজি আহাৰ গ্ৰহণ কৰিছে খেতিয়কে। অৱশ্যে প্ৰতিবাদৰ সাময়িক যৱনিকা ঘোষণা কৰিলেও এই পৰ্যন্ত সমস্যা সমাধান হোৱা নাই। ১৪ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় কৃষি বিভাগৰ প্ৰতিনিধিৰ সৈতে আলোচনাৰ পিছতহে সংযুক্ত কিষাণ মৰ্চা অৰাজনৈতিকে প্ৰতিবাদৰ পথ নিৰ্ণয় কৰিব বুলি ঘোষণা কৰিছে নেতৃত্বই। শইচৰ ন্যূনতম সমৰ্থন দামৰ আইনী নিশ্চিতি অবিহনে আন্দোলন অব্যাহত থাকিব বুলিও ঘোষণা কৰিছে খেতিয়কে।

## জয়ন্ত বৰুৱাক হাছান ছৰিফ আহমদ সমন্বয় বঁটা

প্ৰতিদিন কাকতৰ সম্পাদক জয়ন্ত বৰুৱাই আজি এইদৰে কয়। বৰুৱাই কয়— মহাবিদ্যালয়খনত পোনপ্ৰথমবাৰৰ বাবে উপস্থিত হৈ ইয়াৰ শৈক্ষিক পৰিৱেশ দেখি মই অভিভূত হৈ পৰিছোঁ। মহাবিদ্যালয়খন ইমান সুন্দৰ আৰু শৃংখলাবদ্ধভাৱে পৰিচালনা কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ভূয়সী প্ৰশংসা কৰে। মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন, এন চি চিৰে সভাগৃহলৈ উষ্ম আদৰণি জনাই অনা সভাত বৰুৱাই অসমৰ বৌদ্ধিক শিক্ষাৰ ক্ষেত্ৰখনৰ কথা উল্লেখ কৰি কয়— যেতিয়াই অসমীয়া ভাষাৰ ওপৰত, অসমীয়া সাহিত্য, সংস্কৃতিৰ ওপৰত প্ৰত্যাহ্বান আহিছে, সেই সময়ত এই প্ৰত্যাহ্বান আঁতৰোৱাৰ ক্ষেত্ৰত এই বৌদ্ধিক ক্ষেত্ৰৰ পুৰুধা ব্যক্তিসকলকৰ যি অৱদান সেই অৱদান বৰ্ণনাতীত। আবৃতা লীজা পাঠকে আঁত ধৰা অনুষ্ঠানটিত বৰুৱাই তেওঁৰ আজু ককাক হেমচন্দ্ৰ বৰুৱাৰ জীৱনকৃতি তথা অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়াই যোৱা অমূল্য অৱদানৰ কথা উল্লেখ কৰি তেওঁক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মানুৱৰ্তীতা আৰু অনুষ্ঠান সুন্দৰকৈ পৰিচালনা কৰাৰ দক্ষতাক ভূয়সী প্ৰশংসা কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই কয়— মই কোন এই প্ৰশ্নৰ উত্তৰ দিয়াতো প্ৰকৃততে বৰ জটিল কথা। সমাজত একো একোজন ব্যক্তিৰ চৰিত্ৰ তিনি ধৰণে প্ৰতিফলিত হয়। সমাজৰ আগত প্ৰকাশ কৰা চৰিত্ৰ, অন্তৰ্নিহিত চৰিত্ৰ আৰু নিজে ভবা চৰিত্ৰটো সম্পূৰ্ণ বেলেগ হয়। যদিহে এই তিনিওটা চৰিত্ৰৰ মাজৰ ব্যৱধান শূন্য হয়, তেতিয়া সেই ব্যক্তিজন সমাজত মহান ৰূপে পৰিগণিত হয়। ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ উন্নয়নৰ খতিয়ান লিপিবদ্ধ কৰি ঐতিহাসিকভাৱে প্ৰকাশ কৰা গ্ৰন্থ 'উত্তৰণ' উন্মোচন কৰি উপাচাৰ্যগৰাকীয়ে কয়— সমাজক সঠিক দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সংবাদগোষ্ঠীসমূহে বেয়াক বেয়া আৰু ভালক ভাল বুলি প্ৰতিষ্ঠা কৰিব পাৰিলেহে পাঠক সমাজে আঁকোৱালি ল'ব আৰু সমাজ সঠিক দিশত গতি কৰিব। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত কানৈ মবহাবিদ্যালয়ৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈ, স্কটলেণ্ড নিবাসী প্ৰবাসী অসমীয়া, স্নেহবন্ধনৰ উপ-সভাপতি, অসম সাহিত্য সভাৰ যুক্তৰাষ্ট্ৰ শাখাৰ উপ-সভাপতি নিৰলা বৰুৱা, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰূপজ্যোতি বৰঠাকুৰৰ লগতে চহৰখনৰ ভালেসংখ্যক গণ্য-মান্য ব্যক্তি, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে আজি প্ৰদান কৰা হাছান ছৰিফ আহমদ সমন্বয় বঁটাটিত এটা জাপি, স্মাৰক, কিতাপৰ টোপোলা, সম্বৰ্ধনা পত্ৰৰ লগতে অনুষ্ঠানৰ স্মৃতি বিজড়িত এখন স্থিৰ চিত্ৰ প্ৰদান কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই।